**নং ঃ ৪৭/২০২১**

**ঢেকীয়াজুলি আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন আৰু ঐতিহ্যমণ্ডিত ঢেকীয়াজুলি থানাৰ নৱীকৃত ভৱনৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে**

আমাৰ উঠি অহা প্ৰজন্মই শ্বহীদৰ আদৰ্শৰে ৰাষ্ট্ৰ নিৰ্মাণৰ কামত ব্ৰতী হ'ব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি 'মৈত্ৰী' আঁচনিৰ অধীনত ঢেকীয়াজুলি আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন আৰু ঐতিহ্যমণ্ডিত ঢেকীয়াজুলি থানাৰ নৱীকৃত ভৱনৰ শুভ উদ্বোধন কৰে। মুখ্যমন্ত্ৰীয়ে ৪২'ৰ শ্বহীদ পৰিয়ালৰ সদস্যসকলকো সম্বৰ্দ্ধনা জ্ঞাপন কৰে।

এই উপলক্ষে ঢেকীয়াজুলি আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন প্ৰাঙ্গনত অনুষ্ঠিত এক সভাত মুখ্যমন্ত্ৰীয়ে ৪২'ৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি কয় যে এই সকল বীৰ-বীৰাঙ্গনাৰ সংগ্ৰামী সত্ত্বা আৰু ত্যাগে অসমীয়া জাতিক শক্তিশালী কৰি তুলিলে। দেশ আৰু জাতিৰ বাবে সৰ্বোচ্চ ত্যাগ কৰি তেওঁলোকে দেশপ্ৰেমৰ উজ্জ্বল নিৰ্দশন দেখুৱাই থৈ গৈছে। ঢেকীয়াজুলিৰ ঐতিহ্য, গৰিমা, সংগ্ৰামী ইতিহাস কেৱল অসমৰ বুকুতে নহয়, দেশৰ বুকুতো বুকুত সগৌৰৱে জিলিকাই তুলিছে। ভাৰতবৰ্ষৰ মানচিত্ৰত ঢেকীয়াজুলি চহৰ সদায়েই বিশেষভাৱে জিলিকি থাকিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।জাতি আৰু ৰাষ্ট্ৰৰ স্বাৰ্থত নিজৰ জীৱন উৎসৰ্গা কৰা শ্বহীদসকল যুগে যুগে অমৰ বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ উঠি অহা প্ৰজন্মই শ্বহীদৰ আদৰ্শৰে ৰাষ্ট্ৰ নিৰ্মাণৰ কামত ব্ৰতী হ'ব লাগিব।

মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতা সংগ্ৰামৰ বীৰ শ্বহীদ, অসম আন্দোলনৰ শ্বহীদসকলৰ ত্যাগক নতুন প্ৰজন্মৰ মাজলৈ লৈ যাবলৈ ৰাজ্য চৰকাৰে দৃঢ়তাৰে প্ৰয়াস চলাই আহিছে। অসম চৰকাৰৰ প্ৰত্নতাত্ত্বিক সঞ্চালকালয়ে এই বাবেই ঢেকীয়াজুলিৰ এই শ্বহীদৰ ত্যাগক স্মৰণীয় কৰি ৰাখিবলৈ ঐতিহ্যমণ্ডিত ঢেকীয়াজুলি থানাৰ সংৰক্ষণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিলে। মুখ্যমন্ত্ৰীয়ে কয় যে অসম আন্দোলনৰ শ্বহীদসকলৰ ত্যাগক স্মৰণীয় কৰি ৰখাৰ বাবে শ্বহীদ স্মৃতি উদ্যান নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ লৈছে যাতে দেশী-বিদেশী পৰ্যটকসকলে অসমৰ সংগ্ৰামী ইতিহাস উপলব্ধি কৰিবলৈ সক্ষম হয়। শোণিতপুৰ জিলা সাংস্কৃতিকভাৱে অতি চহকী বুলি উল্লেখ কৰি তেওঁ কয় যে জ্যোতি প্ৰসাদ, বিষ্ণু ৰাভা, ড° ভূপেন হাজৰিকা, ফণী শৰ্মাৰ দৰে বৰেণ্য শিল্পীয়ে আমাৰ সাংস্কৃতিক জগতলৈ অনন্য বৰঙণি এই শোণিতপুৰ জিলাৰ পৰাই আগবঢ়াই গৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আদৰ্শৰে স্মাৰ্ট আৰক্ষী গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে মৈত্ৰী আঁচনিৰ অধীনত থানাসমূহৰ আধুনিকীকৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। একবিংশ শতিকাত আহি পৰা প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰা, জনসাধাৰণৰ জীৱন আৰু সম্পত্তি সুৰক্ষিত কৰিব পৰাকৈ থানাসমূহক আধুনিক ৰূপ প্ৰদান কৰা হৈছে বুলিও তেওঁ কয়। আৰক্ষীয়ে সততা, নিষ্ঠা আৰু দায়বদ্ধতাৰে কাম কৰিব লাগিব আৰু দুৰ্নীতিক প্ৰশ্ৰয় দিব নালাগিব বুলি উল্লেখ কৰি অসম আৰক্ষীয়ে দুৰ্নীতিৰ বিৰুদ্ধে

দিয়া যুঁজখনত সফলতা আহৰণ কৰিছে বুলিও তেওঁ কয়। আৰক্ষীয়ে জনসাধাৰণৰ মনত আস্থা আৰু বিশ্বাস বৃদ্ধি কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অসম আৰক্ষীৰ অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত সাংসদ পল্লৱ লোচন দাস, স্থানীয় বিধায়ক অশোক সিংঘাল আৰু বিধায়ক গণেশ লিম্বুৱেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত অসম আৰক্ষীৰ শীৰ্ষ বিষয়াসকলৰ লগতে শোণিতপুৰ জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, বিশিষ্ট সমাজকৰ্মী তুলসী বৰঠাকুৰ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

আজিৰ এই অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে বীৰ শ্বহীদসকলৰ স্মাৰক স্তম্ভত বন্তি প্ৰজ্জ্বলন কৰি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

**পুঃডেঃ**
**২২/০১/২০২১**